মৰিগাঁৱত ২০ হেজাৰ ভুৱা জন্মৰ প্ৰমাণপত্ৰ

এক পৃষ্ঠাৰ পৰা দালাল চক্ৰটোৱে জিলাখনৰ বিভিন্ন স্থানত ২০ হেজাৰতকৈও অধিক ভুৱা জন্মৰ প্ৰমাণপত্ৰ প্ৰদান কৰাৰ তথ্য পোহৰলৈ আহিছে। এন আৰ চিত নাম অন্তৰ্ভুক্তিৰ বাবে গাঁওবুঢ়া আৰু গাঁও পঞ্চায়তৰ প্ৰমাণপত্ৰকে ধৰি জন্মৰ প্ৰমাণপত্ৰ জালিয়াতিৰে প্ৰস্তুত কৰাৰ দৰে দুষ্কাৰ্য সংঘটিত কৰি দালাল চক্ৰটোৱে অসমক ভয়াবহ ভৱিষ্যতৰ দিশে ঠেলি দিয়াৰ গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। জিলাখনৰ লাহৰিঘাট, মৈৰাবাৰী, উদৰি-বাখৰবড়ী, ভুৰাগাঁও, মায়ং আদি অঞ্চলৰ এচাম লোকৰ হাতে হাতে ভুৱা জন্মৰ প্ৰমাণপত্ৰ থকা ঘটনাই উপায়ুক্ত ৰাকেশ কুমাৰকে ধৰি প্ৰশাসনিক বিষয়াবৰ্গক হতচকিত কৰি তুলিছে। ইতিমধ্যে এই ঘটনা পোহৰলৈ অহাত জিলা উপায়ুক্তই দণ্ডাধীশ তদন্তৰ নিৰ্দেশ দি অতিৰিক্ত উপায়ুক্ত প্ৰাণজিৎ গগৈক দায়িত্ব অৰ্পণ কৰিছে। ইপিনে, প্ৰাথমিক তদন্ততে উক্ত ভয়াবহ জালিয়াতিৰ তথ্য-প্ৰমাণ লাভ কৰাত দণ্ডাধীশ তথা নিৰ্বাচনী বিষয়া চাইবাৰ ৰহমানক এজাহাৰ দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। উক্ত নিৰ্দেশৰ ভিত্তিত কাৰ্যবাহী দণ্ডাধীশ ৰহমানে ইতিমধ্যে মৰিগাঁও জিলা আৰক্ষী অধীক্ষকৰ ওচৰত এজাহাৰ দাখিল কৰিছে। লক্ষ্যণীয়ভাৱে ইমান ভয়ংকৰ ঘটনা সংঘটিত হোৱাৰ পাছত এই গোচৰৰ তদন্ত যিদৰে আগবাঢ়িব লাগিছিল সেয়া নোহোৱাৰ অভিযোগ উঠিছে। মৈৰাবাৰী আৰক্ষীয়ে ভাৰতীয় দণ্ড বিধিৰ ৪১৮, ৪১৯, ৪৬৮, ৪৭১ আৰু ৪৭২ ধাৰাত ১৬৭/১৫ নম্বৰ গোচৰ পঞ্জীয়ন কৰিছে যদিও অপৰাধী চক্ৰটোক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই। মৈৰাবাৰী আৰু লাহৰিঘাটত ভুৱা জন্মৰ প্ৰমাণপত্ৰৰ ৰমৰমীয়া বেপাৰ চলি থকা সন্দৰ্ভত স্থানীয় আৰক্ষী থানাৰ আৰক্ষীও অৱগত যদিও ৰাজনৈতিকভাৱে শক্তিশালী উক্ত চক্ৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা নাই।

মৰিগাঁও আৰক্ষীয়ে পোহৰলৈ আনিব পাৰিবনে জালিয়াতি চক্ৰক?

মৰিগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ ছীল-মোহৰ আৰু কাৰ্যবাহী দণ্ডাধীশৰ চহী জাল কৰি হেজাৰ হেজাৰ ভুৱা জন্মৰ প্ৰমাণপত্ৰ প্ৰদান কৰি ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰে গভীৰ ষড়যন্ত্ৰত লিপ্ত উক্ত জালিয়াতি চক্ৰটোক কৰায়ত্ত কৰিবলৈ সমৰ্থ হ'বনে মৰিগাঁও আৰক্ষী? নে মৰিগাঁও জিলাত সংঘটিত আনবোৰ গুৰুত্বপূৰ্ণ গোচৰৰ দৰে অন্তহীন সাঁথৰত পৰিণত হ'ব ইয়াকে লৈ প্ৰশ্নৰ উদ্ৰেক হৈছে বিভিন্ন মহলত। কিয়নো স্বয়ং কাৰ্যবাহী দণ্ডাধীশ ৰহমানে দাখিল কৰা গুৰুত্বপূৰ্ণ গোচৰটোৱেই উচ্চ পৰ্যায়ৰ আৰক্ষী বিষয়াৰ দ্বাৰা তদন্ত কৰি অপৰাধীক কৰায়ত্ত কৰাৰ বিপৰীতে মৰিগাঁও আৰক্ষী অধীক্ষকে মৈৰাবাৰী আৰক্ষীলৈ ঠেলি দিয়াৰ লগতে মৈৰাবাৰী আৰক্ষীৰ ৰহস্যজনক ভূমিকায়ো বহু প্ৰশ্নৰ উদ্ৰেক ঘটাইছে।

দৈনিক অগ্ৰদূত - ৩।৮

চাৰি মাহে আপলোড নহ'ল এন আৰ চি কোড্

অগ্ৰদূত বাৰ্তা

বহৰি, ১ আগষ্ট ঃ দীৰ্ঘ চাৰি মাহ প্ৰতীক্ষাৰ পাছতো বৰপেটা জিলা প্ৰশাসনে চেঙা ৰাজহ চক্ৰৰ অন্তৰ্গত ফুলবাৰী আৰু গণকপাৰা গাঁও দুখনৰ নাগৰিকৰ এন আৰ চি লিগেচী কোড নম্বৰ আপলোড নকৰিলে। চেঙা ৰাজহ চক্ৰ বিষয়া আৰু বৰপেটা জিলা উপায়ুক্তই কেৱল প্ৰতিশ্ৰুতিৰেই বিগত চাৰিটা মাহ গাঁও দুখনৰ সাধাৰণ নাগৰিকখিনিক আভুৱা ভাঁৰাত এন আৰ চিৰ প্ৰপত্ৰ পূৰণত ব্যৰ্থ হয়। দুয়োখন গাঁৱৰ এন আৰ চি আছে। এন আৰ চিৰ ইমেজ আই ডিও আপলোড হৈছে। কেৱল লিগেচী ডাটা কোড নম্বৰটো আপলোড কৰা নাই।

এইফেৰা কাম জিলা প্ৰশাসনৰ মুৰব্বীজনেই যেতিয়া উইপ্ৰ' কোম্পানীৰ দ্বাৰা আপলোডকৰণত ব্যৰ্থ হয়, তেতিয়া সাধাৰণ ৰাইজ হিচাপে গাঁও দুখনৰ নাগৰিক সমাজে দুশ্চিন্তাত পৰে। উপায়ান্তৰ হৈ গাঁও দুখনৰ হৈ মাইনুল হক চৌধুৰী, মুজাফৰ খান, আলম খান, জামাল খন্দকাৰ আৰু আব্দুল লতিফ খান নামৰ পাঁচজনীয়া সঁজাতী দল এটাই কালি অসম সচিবালয়ত এন আৰ চিৰ নডেল বিষয়া প্ৰতীক হাজেলাক লগ কৰি এখন স্মাৰকপত্ৰ প্ৰদান কৰে আৰু অতিশীঘ্ৰে গাঁও দুখনৰ লিগেচী ডাটা কোডবোৰ আপলোড কৰাৰ দাবী জনায়। অৱশ্যে নডেল বিষয়াজনে বিষয়টো অতি গুৰুত্ব সহকাৰে লৈ অহা ১০ দিনৰ ভিতৰত কোড নম্বৰ আপলোড কৰা হ'ব বুলি প্ৰতিনিধি দলটোক প্ৰতিশ্ৰুতি প্ৰদান কৰে। স্মৰ্তব্য যে ৰাজ্যখনত '৫১ৰ এন আৰ চিক লৈ খিলঞ্জীয়াৰ সংজ্ঞাক লৈ সৰৱ চৰ্চা হৈ থকা সময়তে এন আৰ চি বিদ্যমান থকাৰ পাছতো কি কাৰণত একাংশ অঞ্চলবাসীৰ এন আৰ চি কিম্বা ডাটা কোড আপলোড কৰা হোৱা নাই। ইয়াত এক গভীৰ ষড়যন্ত্ৰৰ সন্দেহ কৰিছে এই নাগৰিকসকলে। এওঁলোকে সন্দেহ কৰিবলৈ বাধ্য হৈছে যে এওঁলোকক আচলতে খিলঞ্জীয়াৰ পৰা বঞ্চিত কৰাৰহে ষড়যন্ত্ৰ কৰিছে এনে জাতীয় কৌশলেৰে। ইমানৰ পাছতো নডেল

ফুলবাৰী-গনকপাৰাত হাহাকাৰ ■ নডেল বিষয়াক স্মাৰকপত্ৰ ■ ১০ দিনত আপলোডৰ প্ৰতিশ্ৰুতি

বিষয়াজনেও যদি ১০ দিনত লিগেচী ডাটা কোড নিদিয়ে ১০ দিন পাছত গাঁও দুখনৰ বাসিন্দাসকলে এন আৰ চি কৰ্তৃপক্ষৰ বিৰুদ্ধে গণতান্ত্ৰিক আন্দোলনত নামিব বুলি হুংকাৰ প্ৰদান কৰিছে প্ৰতিনিধি দলটোৱে।